**10-11-2025** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

মৰমৰ সন্তানসকল – **"তন-মন-ধন অথবা মন-বচন-কৰ্মৰে এনেকুৱা সেৱা কৰা যাতে বিনিময়ত 21 জন্মৰ বাবে পিতাৰ পৰা পোৱা কিন্তু সেৱাত কেতিয়াও পৰস্পৰ মনোমালিন্য হ'ব নালাগে"**

প্ৰশ্ন: ড্ৰামা অনুসৰি বাবাই যি সেৱা কৰাই আছে তাত আৰু তীব্ৰতা অনাৰ বিধি কি?

উত্তৰ: নিজৰ মাজত একমত হোৱা, কেতিয়াও যাতে কোনো মতভেদ নহয়। যদি মতভেদ হয় তেন্তে কি সেৱা কৰিবা সেইবাবে পৰস্পৰ মিলি সংগঠন গঢ়ি ৰায় লোৱা, ইজন সিজনৰ সহায়কাৰী হোৱা। বাবাতো সহায়কাৰী হয়েই কিন্তু "সন্তানৰ সাহস পিতাৰ সহায়...." ইয়াৰ অৰ্থ যথাৰ্থভাৱে বুজি ডাঙৰ কাৰ্যত সহায়কাৰী হোৱা।

ওঁম্ শান্তি। মৰমৰ সন্তানসকল ইয়ালৈ আহে আত্মিক পিতাৰ ওচৰলৈ পুনৰুজ্জীৱিত হ'বলৈ আহে। যেতিয়া পুনৰুজ্জীৱিত হৈ উভতি যায় তেতিয়া নিশ্চয় গৈ কিবা কৰি দেখুৱাব লাগে। এটি এটি সন্তানে সেৱাৰ প্ৰমাণ দিব লাগে। যেনেকৈ কোনো কোনো সন্তানে কয় - মোৰ সেৱাকেন্দ্ৰ খোলাৰ ইচ্ছা আছে। গাঁৱতো সেৱা কৰে নহয়। গতিকে সন্তানসকলৰ সদায় এইটো খেয়াল থাকিব লাগে যে আমি মন-বচন-কৰ্ম, তন-মন-ধনেৰে এনেকুৱা সেৱা কৰোঁ যাতে তাৰ বিনিময়ত ভৱিষ্যত 21 জন্মৰ বাবে পিতাৰ পৰা পাওঁ। এইটোৱে চিন্তা। মই কিবা কৰোঁনে? কাৰোবাক জ্ঞান শুনাওঁনে? গোটেই দিন এইটো খেয়াল চলিব লাগে। লাগিলে সেৱাকেন্দ্ৰ খোলক কিন্তু ঘৰত স্ত্ৰী-পুৰুষৰ মনোমালিন্য হ'ব নালাগে। কোনো হাই-উৰুমি হ'ব নালাগে। সন্ন্যাসীলোকে ঘৰৰ হাই-উৰুমিৰ পৰা আঁতৰি যায়। ভ্ৰুক্ষেপ নকৰি গুচি যায়। তেতিয়া চৰকাৰে তেওঁলোকক বাধা দিয়ে জানো? সেয়াতো কেৱল পুৰুষসকলেই ওলাই যায়। এতিয়া কোনো কোনো মাতা ওলায়, যাৰ কোনো গৰাকী নাথাকে বা বৈৰাগ্য জন্মি যায়, তেওঁলোককো সেই সন্ন্যাসী পুৰুষসকলে বহি শিকায়। তেওঁলোকৰ দ্বাৰা নিজৰ বেপাৰ কৰে। পইচা আদি সকলো তেওঁলোকৰ ওচৰত থাকে। বাস্তৱত ঘৰ-সংসাৰ এৰিলে তেতিয়া আকৌ পইচা ৰখাৰ দৰকাৰ নাথাকে। গতিকে এতিয়া পিতাই তোমালোক সন্তানসকলক বুজাই আছে। প্ৰত্যেকৰে বুদ্ধিত উদয় হ'ব লাগে - আমি পিতাৰ পৰিচয় দিব লাগে। মনুষ্যইতো একোৱেই নাজানে, অবোধ। তোমালোক সন্তানসকলৰ প্ৰতি পিতাৰ আদেশ হৈছে - মৰমৰ সন্তানসকল, তোমালোকে নিজক আত্মা বুলি বুজা, কেৱল পণ্ডিত হ'ব নালাগে। নিজৰো কল্যাণ কৰিব লাগে। স্মৃতিৰ দ্বাৰা সতোপ্ৰধান হ'ব লাগে। বহুত পুৰুষাৰ্থ কৰিব লাগে। নহ'লে বহুত অনুতাপ কৰিব লাগিব। কয় যে বাবা আমি বাৰে বাৰে পাহৰি যাওঁ। সংকল্প আহি যায়। বাবাই কয় - সেয়াতো আহিবই। তোমালোক পিতাৰ স্মৃতিত থাকি সতোপ্ৰধান হ'ব লাগে। আত্মা যি অপৱিত্ৰ হয়, সেই আত্মাই পৰমপিতা পৰমাত্মাকহে স্মৰণ কৰি পৱিত্ৰ হ'ব লাগে। পিতাইহে সন্তানসকলক নিৰ্দেশনা দিয়ে – হে আজ্ঞাকাৰী সন্তানসকল- তোমালোকক আদেশ দিওঁ, মোক স্মৰণ কৰা তেতিয়া তোমালোকৰ পাপ খণ্ডন হ'ব। প্ৰথম কথা এইটোৱে শুনোৱা যে নিৰাকাৰ শিৱবাবাই কয় - মোক স্মৰণ কৰা - মই পতিত-পাৱন হওঁ। মোৰ স্মৃতিৰ দ্বাৰাই বিকৰ্ম বিনাশ হ'ব অন্য কোনো উপায় নাই। কোনেও ক'বও নোৱাৰে। অনেক সন্ন্যাসী আদি আছে, নিমন্ত্ৰণ জনায় - যোগ সম্মিলনত আহি অংশ লওঁক। এতিয়া তেওঁলোকৰ হঠযোগৰ দ্বাৰা কাৰো কল্যাণতো হ'বলগীয়া নাই। অনেক যোগ আশ্ৰম আছে যিসকলে এই ৰাজযোগৰ বিষয়ে একেবাৰে নাজানে। পিতাকেই নাজানে। বেহদৰ পিতাহে আহি সঁচা যোগ শিকায়। পিতাই তোমালোক সন্তানসকলক নিজৰ সমান কৰি তোলে। যেনেকৈ মই নিৰাকাৰ। অস্থায়ীভাৱে এই শৰীৰত আহোঁ। ভাগ্যশালী ৰথতো নিশ্চয় মনুষ্যৰ হ'ব। বলধ গৰুৰ বুলিতো নক'ব। বাকী কোনো ঘোঁৰা-গাড়ী আদিৰ কথা নাই। যুদ্ধৰো কথা নাই। তোমালোকে জানা আমি মায়াৰ লগতেই যুদ্ধ কৰিব লাগে। গোৱাও হয় মায়াৰ হাতত পৰাজিত হোৱা মানেই পৰাজয়........ তোমালোকে বহুত ভালদৰে বুজাব পাৰা - কিন্তু এতিয়া শিকি আছা। কোনোৱে শিকি শিকি একেবাৰে মাটিত পৰি যায়। কোনোবা মতানৈক্যত আহি যায়। দুজনী ভগ্নীও পৰস্পৰ মিলি থাকিব নোৱাৰে, অপ্ৰীতিকৰ হৈ যায়। তোমালোকৰ পৰস্পৰ কোনো মতানৈক্য থাকিব নালাগে। মতানৈক্য হ'লে পিতাই ক'ব এওঁ কি সেৱা কৰিব। বহুত ভাল ভালসকলৰো এনেকুৱা অৱস্থা হৈ যায়। এতিয়া যদি মালা গঁথা হয় তেন্তে ক'ব ক্ৰুটিপূৰ্ণ মালা। এওঁলোকৰ এতিয়াও এইটো এইটো অৱগুণ আছে। ড্ৰামাৰ পৰিকল্পনা অনুসৰি বাবাই সেৱাও কৰাই থাকে। নিৰ্দেশনা দি থাকে। দিল্লীত চাৰিওফালে সেৱাৰ বেষ্টনী গঢ়ি তোলা। এয়া জানো কেৱল এজনে কৰিব লাগে, পৰস্পৰ মিলি আলোচনা কৰিব লাগে। সকলো একমত হ'ব লাগে। বাবা এজন কিন্তু সহায়কাৰী সন্তানসকলৰ অবিহনে কাম কৰিব জানো। তোমালোকে সেৱাকেন্দ্ৰ খোলা, মত লোৱা। বাবাই সোধে - সহায় কৰোঁতা হোৱানে? কয় - হয় বাবা, যদি সহায় কৰোঁতা নাথাকে তেন্তে একোৱেই কৰিব নোৱাৰিব। ঘৰলৈও মিত্ৰ-সম্বন্ধীয় আদি

আহে নহয়। লাগিলে গালি দিয়ক, তেওঁলোকে তোমালোকক উপহাস কৰি থাকিব। তোমালোকে সেইবোৰলৈ ভ্ৰুক্ষেপ কৰিব নালাগে।

তোমালোক সন্তানসকলে পৰস্পৰ বহি আলোচনা কৰিব লাগে। যেনেকৈ সেৱাকেন্দ্ৰ খোলে তেতিয়াও সকলোৱে মিলি লিখে - বাবা আমি ব্ৰাহ্মণীৰ ৰায় অনুসৰি এই কাম কৰোঁ। সিন্ধি ভাষাত কয় – "ব ত বাৰা" অৰ্থাৎ 1ৰ লগত 2 লগ লাগিলে 12 হৈ যায়, 12 হ'লে আৰুহে ভাল ৰায় ওলাব। ক'ৰবাত ক'ৰবাত এজনে আনজনৰ ৰায় নলয়। এতিয়া এনেকৈ জানো কোনো কাম হ'ব পাৰে? বাবাই ক'ব যেতিয়ালৈকে তোমালোকৰ পৰস্পৰ সংগঠনেই নাই তেন্তে তোমালোকে ইমান ডাঙৰ কাম কেনেকৈ কৰিব পাৰিবা। সৰু দোকান, ডাঙৰ দোকানো থাকে নহয়। পৰস্পৰ মিলি সংগঠন কৰে। এনেকৈ কোনেও নকয় বাবা আপুনি সহায় কৰক। প্ৰথমেতো সহায়কাৰী তৈয়াৰ কৰিব লাগে। তেতিয়া বাবাই কয় – সন্তানসকলৰ সাহস পিতাৰ সহায়। প্ৰথমেতো নিজৰ সহায়কাৰী তৈয়াৰ কৰা। বাবা আমি ইমান কৰিলোঁ বাকী আপুনি সহায় কৰক। এনেকুৱা নহয় যে প্ৰথমে আপুনি সহায় কৰক। সন্তানৰ সাহস…… তাৰো অৰ্থ বুজি নাপায়। প্ৰথমতেতো সন্তানসকলৰ সাহস লাগে। কোনে কোনে কি সহায় কৰে? গোটেই খতিয়ান লিখিব – অমুকে অমুকে এইখিনি সহায় কৰে। নিয়ম মাত্ৰ লিখি দিব। বাকী এনেকৈ জানো প্ৰত্যেকেই ক'ব যে মই সেৱাকেন্দ্ৰ খুলিছোঁ সহায় কৰক। এনেয়ে কি বাবাই জানো খুলিব নোৱাৰে? কিন্তু এনেকৈতো হ'ব নোৱাৰে। কমিটি পৰস্পৰ মিলিত হ'ব লাগে। তোমালোকৰ মাজতো ক্ৰমানুসৰি আছে নহয়। কোনোৱেতো একেবাৰেই একোৱে বুজি নাপায়। কোনোবা বহুত হৰ্ষিত হৈ থাকে। বাবাইতো বুজায় - এই জ্ঞানত বহুত আনন্দিত হৈ থাকিব লাগে। এজনেই পিতা, শিক্ষক, গুৰু পোৱা যায় গতিকে আনন্দিত হ'ব নালাগে জানো। জগতত এই কথাবোৰ কোনেও নাজানে। শিৱবাবাহে জ্ঞানৰ সাগৰ, পতিত-পাৱন, সকলোৰে সৎগতি দাতা। সকলোৰে পিতাও এজন। এয়া আন কাৰো বুদ্ধিত নাই। এতিয়া তোমলোক সন্তানসকলে জানা - তেৱেঁই জ্ঞানেৰে পৰিপূৰ্ণ, মুক্তিদাতা, মাৰ্গ-দৰ্শক। গতিকে পিতাৰ মতত চলিব লাগে। পৰস্পৰ মিলি আলোচনা কৰিব লাগে। খৰচ কৰিব লাগে। এজনৰ মততো চলিব নোৱাৰে। সহায়কাৰী সকলো লাগে। এনেকুৱাও বুদ্ধি লাগে নহয়। তোমালোক সন্তানসকলে ঘৰে ঘৰে গৈ বাৰ্তা দিব লাগে। সোধে- বিয়ালৈ নিমন্ত্ৰণ পাইছোঁ, যাওঁনে? বাবাই কয় - কিয় নাযাবা, যোৱা, গৈ নিজৰ সেৱা কৰাগৈ। বহুতৰ কল্যাণ কৰা। ভাষণো দিব পাৰা। মৃত্যু সন্মুখত থিয় হৈ আছে, পিতাই কয় মামেকম্ (কেৱল মোক) স্মৰণ কৰা। ইয়াত সকলো পাপ আত্মা। পিতাকেই গালি দি থাকে। পিতাৰ পৰা তোমালোকক বিমুখ কৰি দিয়ে। গায়নো আছে বিনাশ কালত অপ্ৰীতিকৰ বুদ্ধি। কোনে ক'লে? পিতাই নিজেই ক'লে - মোৰ প্ৰতি প্ৰীতি বুদ্ধি নাই। বিনাশ কালত অপ্ৰীতিকৰ বুদ্ধি। মোক নাজানেই। যাৰ প্ৰীতি বুদ্ধি আছে, যিয়ে মোক স্মৰণ কৰে, তেৱেঁই বিজয়ী হ'ব। প্ৰীতি থাকিলেও যদি স্মৰণ নকৰে তেতিয়াও কম পদ পাব। পিতাই সন্তানসকলক নিৰ্দেশনা দিয়ে। মূল কথা হৈছে সকলোকে বাৰ্তা দিব লাগে। পিতাক স্মৰণ কৰিলে পাৱন হৈ, পাৱন সৃষ্টিৰ মালিক হোৱা। ড্ৰামা অনুসৰি বাবাই বৃদ্ধ শৰীৰে ল'বলগীয়া হয়। বানপ্ৰস্থত প্ৰৱেশ কৰে। মনুষ্যই বানপ্ৰস্থ অৱস্থাতে ভগৱানক লগ পাবলৈ পৰিশ্ৰম কৰে। ভক্তিততো ভাবে - জপ-তপ আদি কৰা এই সকলোবোৰ ভগৱানক লগ পোৱাৰ ৰাস্তা। কেতিয়া লগ পাব সেয়া একোৱেই নাজানে। জন্ম-জন্মান্তৰ ভক্তি কৰি আহিছে। ভগৱানকতো কোনেও নাপায়েই। এইটো বুজি নাপায় যে বাবা আহিবই তেতিয়া যেতিয়া সৃষ্টিক নতুন কৰি তোলাৰ সময় হ'ব। ৰচয়িতা পিতাই হয়, চিত্ৰতো আছে কিন্তু ত্ৰিমূৰ্তিত শিৱক নেদেখুৱায়। শিৱবাবা অবিহনে ব্ৰহ্মা-বিষ্ণু-শংকৰক দেখুৱাইছে, যেন ডিঙি কটা আছে। পিতা অবিহনে অনাথ হৈ যায়। পিতাই কয় - মই আহি তোমালোকক সনাথ কৰি তোলোঁ। 21 জন্ম তোমালোক সনাথ হৈ যোৱা। কোনো কষ্ট নাথাকে। তোমালোকেও ক'বা - যেতিয়ালৈকে পিতাক পোৱা নাছিলোঁ, তেতিয়া আমিও একেবাৰে গৰাকী বিহীন তুচ্ছ বুদ্ধিৰ আছিলোঁ। পতিত-পাৱনে কয় - কিন্তু তেওঁ কেতিয়া আহিব, এইটো নাজানে। পাৱন সৃষ্টি হৈছেই নতুন সৃষ্টি। পিতাই কিমান সাধাৰণভাৱে বুজায়। তোমালোকেও বুজি পোৱা, আমি পিতাৰ হৈছোঁ, স্বৰ্গৰ মালিক নিশ্চয় হ'মগৈ। শিৱবাবা হৈছে বেহদৰ মালিক। পিতাহে আহি সুখ-শান্তিৰ উত্তৰাধিকাৰ দিছিল। সত্যযুগত সুখ আছিল - বাকী সকলো আত্মা শান্তিধামত আছিল। এতিয়া এই কথাবোৰ তোমালোকে বুজি পোৱা। শিৱবাবা কিয় আহিছে? নিশ্চয় নতুন সৃষ্টি ৰচিবলৈ। পতিতক পাৱন কৰিবলৈ আহিছে। উচ্চ কাৰ্য কৰিছিল, মনুষ্য একেবাৰে ঘোৰ অন্ধকাৰত আছে। পিতাই কয় - এয়াও ড্ৰামাত নিৰ্ধাৰিত হৈ আছে। তোমালোক সন্তানসকলক পিতাই বহি জগায়। তোমালোকে এতিয়া এই গোটেই ড্ৰামাখনৰ বিষয়ে জানা - কেনেকৈ নতুন সৃষ্টি আকৌ পুৰণি হয়। পিতাই কয় - আন সকলো এৰি এজন পিতাক স্মৰণ কৰা। মোৰ কাৰো প্ৰতি ঘৃণা নজন্মে। এইটো বুজাব লাগে। ড্ৰামা অনুসৰি মায়াৰ ৰাজ্যও হ'ব লাগে। এতিয়া আকৌ পিতাই কয় - মৰমৰ সন্তানসকল, এতিয়া এই চক্ৰ পূৰা হয়। এতিয়া তোমালোকে ঈশ্বৰীয় মত পোৱা, সেই অনুসৰি চলিব লাগে। এতিয়া 5 বিকাৰৰ মতত চলিব নালাগে। আধাকল্প তোমালোক মায়াৰ মতত চলি তমোপ্ৰধান হৈ গৈছা। এতিয়া মই তোমালোকক সতোপ্ৰধান কৰি তুলিবলৈ আহিছোঁ। সতোপ্ৰধান, তমোপ্ৰধানৰ এয়া খেল। গ্লানিৰ কোনো কথা নাই। কয় - ভগৱানে এই অহা-যোৱাৰ নাটকখনেই বা কিয় ৰচিলে? 'কিয়'ৰ প্ৰশ্নই নুঠে।

এয়াতো ড্ৰামাৰ চক্ৰ, যি আকৌ পুনৰাবৃত্তি হৈ থাকে। ড্ৰামা অনাদি। এতিয়া হৈছে কলিযুগ, সত্যযুগ অতীত হৈ গ'ল। এতিয়া পুনৰ পিতা আহিছে। 'বাবা বাবা' বুলি কৈ থাকা তেতিয়া কল্যাণ হৈ থাকিব। পিতাই কয় - এইবোৰ অতি গূঢ় ৰমণীয় কথা। এনেকৈ কয় যে সিংহীৰ গাখীৰৰ বাবে সোণৰ পাত্ৰৰ প্ৰয়োজন। সোণৰ বুদ্ধি কেনেকৈ হ'ব? আত্মাতেই বুদ্ধি আছে নহয়। আত্মাই কয় – মোৰ বুদ্ধি এতিয়া বাবাৰ ফালে আছে। মই বাবাক বহুত স্মৰণ কৰোঁ। বহি থাকোঁতেই বুদ্ধি আনফালে গুচি যায়। বুদ্ধিত পেছ্যাগত কাম-কাজ আদিৰ স্মৃতি আহি থাকিব। গতিকে তোমালোকৰ কথা যেন নুশুনিব। পৰিশ্ৰম আছে। যিমানেই মৃত্যু সমীপত আহি থাকিব - তোমালোক বহুত স্মৃতিত থাকিবা। মৃত্যুৰ সময়ত সকলোৱে কয় - ভগৱানক স্মৰণ কৰা। এতিয়া পিতাই নিজেই কয় - মোক স্মৰণ কৰা। তোমালোক সকলোৰে বানপ্ৰস্থ অৱস্থা। ঘূৰি যাব লাগে সেইবাবে এতিয়া মোক স্মৰণ কৰা। আন কোনো কথা নুশুনিবা। জন্ম-জন্মান্তৰৰ পাপৰ বোজা শিৰত আছে। শিৱবাবাই কয় - এই সময়ত সকলো অজামিল। মূল কথা হৈছে স্মৃতিৰ যাত্ৰা যাৰ দ্বাৰা তোমালোক পাৱন হ'বা, আকৌ পৰস্পৰ প্ৰেমো থাকিব লাগে। এজনে-আনজনৰ পৰা ৰায় ল'ব লাগে। পিতা প্ৰেমৰ সাগৰ নহয় জানো। গতিকে তোমালোকো পৰস্পৰ বহুত মৰমিয়াল হ'ব লাগে। দেহী-অভিমানী হৈ পিতাক স্মৰণ কৰিব লাগে। ভাই-ভনীৰ সম্বন্ধও ছিঙিবলগীয়া হয়। ভাই-ভনীৰ লগতো যোগ নাৰাখিবা। এজন পিতাৰ লগতহে যোগ ৰাখিবা। পিতাই আত্মাসকলক কয় - মোক স্মৰণ কৰা তেতিয়া তোমালোকৰ বিকাৰী দৃষ্টি নোহোৱা হৈ যাব। কৰ্মেন্দ্ৰিয়ৰ দ্বাৰা কোনো বিকৰ্ম কৰিব নালাগে। মনত ধুমুহা নিশ্চয় আহিব। এয়া অতি উচ্চ লক্ষ্য। বাবাই কয় - চোৱা কৰ্মেন্দ্ৰিয়সমূহে যদি প্ৰবঞ্চনা কৰে তেন্তে সাৱধান হৈ যোৱা। যদি ওলোটা কাম কৰি পেলোৱা তেন্তে শেষ। আৰোহণ কৰিলে বৈকুণ্ঠৰ মালিক……….. পৰিশ্ৰম নকৰাকৈ কিবা হয় জানো। বহুত পৰিশ্ৰম কৰিবলগীয়া হয়। দেহ সহিত দেহৰ…….. কিছুমানৰতো বন্ধন নাই তথাপিও আৱদ্ধ হৈ থাকে। পিতাৰ শ্ৰীমতত নচলে। যদিওবা এক-দুই লাখ আছে, ডাঙৰ কুটুম্ব আছে তেতিয়াও বাবাই ক'ব পেছ্যাগত কাম-কাজ আদিত বেছিকৈ আৱদ্ধ নহ'বা। বানপ্ৰস্থী হৈ যোৱা। খৰচ আদি কম কৰা। গৰিব লোকসকল কিমান সাধাৰণভাৱে চলে। এতিয়া কি কি সামগ্ৰী ওলাইছে, কথাই নুসুধিবা। চহকীসকলৰ খৰচেই খৰচ। নহ'লেনো পেটক কি লাগে? এক পোৱা আটা। বচ্। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) পৰস্পৰ অতি স্নেহী হ'ব লাগে কিন্তু ভাই-ভনীৰ সৈতে যোগ ৰাখিব নালাগে। কৰ্মেন্দ্ৰিয়ৰে কোনো বিকৰ্ম কৰিব নালাগে।

(2) এক ঈশ্বৰীয় মতত চলি সতোপ্ৰধান হ'ব লাগে। মায়াৰ মত এৰি দিব লাগে। পৰস্পৰ সংগঠন শক্তিশালী কৰিব লাগে, ইজন-সিজনৰ সহায়কাৰী হ'ব লাগে।

বৰদান: লক্ষ্য অনুসৰি লক্ষণৰ সমতাৰ কলাৰ দ্বাৰা আৰোহণ কলাৰ অনুভৱ কৰোঁতা পিতাৰ সমান সম্পন্ন হোৱা সন্তানসকলৰ মাজত বিশ্বকল্যাণৰ কামনাও আছে লগতে পিতাৰ সমান হোৱাৰ শ্ৰেষ্ঠ ইচ্ছাও আছে, কিন্তু লক্ষ্য অনুসৰি যি লক্ষণ নিজৰ মাজত বা সকলোৱে দেখা পাব লাগে তাত পাৰ্থক্য আছে সেই কাৰণে সমতা ৰখাৰ কলাক এতিয়া আৰোহণ কলাত আনি এই পাৰ্থক্য নাইকিয়া কৰা। সংকল্প আছে কিন্তু দৃঢ়তা সম্পন্ন সংকল্প হওক তেতিয়া পিতাৰ সমান সম্পন্ন হোৱাৰ বৰদান প্ৰাপ্ত হৈ যাব। এতিয়া যি স্বদৰ্শন আৰু পৰদৰ্শন দুয়োটা চক্ৰ ঘূৰি থাকে, ব্যৰ্থ কথাৰ যি ত্ৰিকালদৰ্শী হৈ যোৱা - ইয়াৰ পৰিৱৰ্তন কৰি স্বচিন্তক স্বদৰ্শন চক্ৰধাৰী হোৱা।

শ্লোগান: সেৱাৰ ভাগ্য প্ৰাপ্ত হোৱাটোৱে সকলোতকৈ ডাঙৰ ভাগ্য।

!! ওঁম্ শান্তি !!

অব্যক্ত সংকেত: অশৰীৰী তথা বিদেহী স্থিতিৰ অভ্যাস বঢ়োৱা

অভ্যাস কৰা দেহ আৰু দেহৰ দেশ পাহৰি অশৰীৰী পৰমধাম নিবাসী হৈ যোৱা, আকৌ পৰমধাম নিবাসীৰ পৰা অব্যক্ত স্থিতিত স্থিৰ হৈ যোৱা, তাৰপাছত সেৱাৰ বাবে বাণীত আহা, সেৱা কৰিও নিজৰ স্বৰূপৰ স্মৃতিত থাকা, নিজৰ বুদ্ধি য'ত বিচৰা ত'ত এক চেকেণ্ডতকৈও কম সময়ত যুক্ত কৰি দিয়া তেতিয়া সন্মান সহকাৰে উত্তীৰ্ণ হ'বা।